# NSD NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 7-09-2025

**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***Headlines***

১। সামগ্ৰী আৰু সেৱা কৰৰ শেহতীয়া সংস্কাৰে ক্ষুদ্ৰ, অতিক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ ক্ষেত্ৰত বিশেষ প্ৰভাৱ পেলাইছে।

২। কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে অষ্টাদশ আন্তঃৰাষ্ট্ৰীয় ভূ-বিজ্ঞান অলিম্পিয়াড ২০২৫ত অংশগ্ৰহণ কৰা ভাৰতীয় দলটোৰ বিজয়ী শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনায়।

৩। আজি নিশাৰ আকাশত ব্যতিক্ৰমী ধৰণৰ পূৰ্ণগ্ৰাস চন্দ্ৰগ্ৰহণ পৰিলক্ষিত হ'ব।

আৰু

৪। এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত আজি দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবেলি স্বাধীনতা দিৱসত লালকিল্লাৰ পৰা সমাগত দিপাৱলীৰ পূৰ্বে সামগ্ৰী আৰু সেৱা কৰৰ ক্ষেত্ৰত হ'বলগীয়া সংস্কাৰৰ বিষয়ে ঘোষণা কৰিছে। যোৱা ৩ ছেপ্তেম্বৰত সামগ্ৰী আৰু সেৱা কৰ পৰিষদে সাধাৰণ জনতাৰ প্ৰতি বিশেষ গুৰুত্বসহ কৰৰ নতুন হাৰত অনুমতি প্ৰদান কৰাৰ লগে লগে প্ৰধানমন্ত্ৰীৰ নাগৰিকমুখী তথা অধিক শক্তিশালী অৰ্থনীতি গঢ়ি তোলাৰ সপোনৰ দিশে দেশ ধাৱমান হৈছে। পৰিষদে পৰোক্ষ কৰ ব্যৱস্থা পূৰ্বৰ পাঁচ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশৰ চাৰিটা পৰ্যায়ৰ গাঁথনিৰ পৰিৱৰ্তে পাঁচ শতাংশ আৰু ১৮ শতাংশ দুটা পৰ্যায়ৰ ব্যৱস্থা লৈ সৰলিকৃত কৰে। এই সংস্কাৰসমূহে কেইবাটাও খণ্ডত কৰৰ হাৰ হ্ৰাস কৰি জনসাধাৰণৰ জীৱন ধাৰণৰ সূচলতা সুনিশ্চিত কৰিছে। ক্ষুদ্ৰ, অতিক্ষুদ্ৰ আৰু মজলী উদ্যোগসমূহৰ ক্ষেত্ৰত এই সংস্কাৰে বিশেষ প্ৰভাৱ পেলাইছে। ই-বাণিজ্যৰ ক্ষেত্ৰত শেহতীয়া কৰ সংস্কাৰৰ জৰিয়তে অনলাইন ক্ৰয় সুলভ হৈ পৰাৰ লগতে ব্যৱসায়সমূহে অধিক গতি লাভ কৰিছে। বাকচ বা তেনেধৰণৰ সামগ্ৰী কঢ়িওৱা আহিলাসমূহৰ দৰ হ্ৰাস হৈছে। সামগ্ৰী আৰু সেৱা কৰ পাঁচ শতাংশলৈ হ্ৰাস হোৱাৰ জৰিয়তে বিক্ৰেতাসকলৰ সামগ্ৰী প্ৰেৰণৰ ব্যয় হ্ৰাস হৈছে। ইতিমধ্যে দেশৰ প্ৰায় ৭০ শতাংশ সামগ্ৰী সৰবৰাহ কৰি যোগান শৃংখলৰ মেৰুদণ্ডস্বৰূপ হৈ উঠা ট্ৰাক তথা সামগ্ৰী সৰবৰাহকাৰী বাহনসমূহৰ সামগ্ৰী আৰু সেৱা কৰ পূৰ্বৰ ২৮ শতাংশৰ পৰিৱৰ্তে ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে। বাহনসমূহ সুলভ হৈ পৰাৰ লগে লগে সৰবৰাহৰ ব্যয় হ্ৰাস হোৱাৰ সমান্তৰালকৈ দূৰণীপতিয়া অঞ্চলসমূহলৈ সামগ্ৰী প্ৰেৰণৰ ক্ষেত্ৰতো জনসাধাৰণ উপকৃত হোৱাৰ দুৱাৰ মুকলি হৈছে।

এই সংস্কাৰসমূহৰ জৰিয়তে দেশৰ ই-বাণিজ্য তথা ৰচদপাতি সৰবৰাহৰ পৰিৱেশতন্ত্ৰৰ নতুন দিগন্ত উন্মোচিত হৈছে। ইয়াৰ জৰিয়তে ক্ষুদ্ৰ বিক্ৰেতা তথা অনলাইন ব্যৱসায়িক মঞ্চসমূহৰ লগতে আন্তৰ্জাতিক যোগান শৃংখলত দেশৰ স্থান শক্তিশালী হোৱাটো সুনিশ্চিত হৈছে।

০০০০০০০

ভাৰতীয় দাৰ্শনিক তথা আধ্যাত্মিক গুৰু শ্ৰী নাৰায়াণ গুৰুৰ জন্ম বাৰ্ষিকীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ দৃষ্টিভংগী আৰু সমাজত তেওঁৰ প্ৰভাৱৰ কথা স্মৰণ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে তেওঁৰ সমতা, দয়া আৰু সাৰ্বজনীন ভাতৃত্ববোধৰ শিক্ষাই সমাজখনক ব্যাপকভাৱে অনুপ্ৰাণিত কৰে। তেওঁ লগতে কয়, যে শ্ৰী নাৰায়াণ গুৰুৰ সামাজিক সংস্কাৰ আৰু শিক্ষা গ্ৰহণৰ আহ্বানে প্ৰজন্মৰ পাছত প্ৰজন্মক উৎসাহিত কৰি আহিছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে যোৱা মাহত চীনৰ জিনিঙত অনুষ্ঠিত অষ্টাদশ আন্তঃৰাষ্ট্ৰীয় ভূ-বিজ্ঞান অলিম্পিয়াড ২০২৫ত অংশগ্ৰহণ কৰা ভাৰতীয় দলটোৰ বিজয়ী শিক্ষাৰ্থীসকলক নতুন দিল্লীত সম্বৰ্ধনা জনায়। এই প্ৰতিযোগিতাত ভাৰতীয় দলটোৱে এটা সোণ, চাৰিটা ৰূপ আৰু দুটা ব্ৰঞ্জসহ সাতটা পদকৰ লগতে আন্তঃৰাষ্ট্ৰীয় ধৰিত্ৰী বিজ্ঞান যুৱ আন্দোলন প্ৰতিবেদক শিতানত তৃতীয় পুৰস্কাৰ লাভ কৰে। অনুষ্ঠানত ভাষণ দি ড০ জিতেন্দ্ৰ সিঙে দেশলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে শিক্ষাৰ্থীসকলক প্ৰশংসা কৰি কয়, যে এই ফলাফলে যুৱচামৰ নতুন অভিলাসী উদ্যম প্ৰতিফলিত কৰে। দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ চহৰসমূহ এই ক্ষেত্ৰত উজ্বলি উঠা বুলিও তেওঁ উল্লেখ কৰে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ জৰিয়তে যুৱচামৰ সৃষ্টিশীলতাই নতুন দিশ বিচাৰি পোৱা বুলি উল্লেখ কৰি তেওঁ কয়, যে সম্প্ৰতি যুৱ চামে বিভিন্ন দিশত নিজৰ প্ৰতিভা অন্বেষণ কৰিবলৈ সমৰ্থ হৈছে। মন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলক বিজ্ঞানজ্যোতি তথা বৃত্তিৰ দৰে চৰকাৰী সুবিধাসমূহ সক্ৰিয়ভাৱে গ্ৰহণ কৰি প্ৰগতিৰ পথেৰে ধাবিত হ'বলৈ আহ্বান জনায়।

০০০০০০০

বিহাৰত আজি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে মহিলাসকলৰ কৰ্ম সংস্থাপনৰ সুবিধা প্ৰদানৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী মহিলা ৰোজগাৰ আঁচনিৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আঁচনিখনৰ প্ৰচাৰৰ বাবে এটা প'ৰ্টেলো মুকলি কৰে। এই আঁচনিৰ অধীনত ৰাজ্যৰ প্ৰতিটো পৰিয়ালৰ পৰা এগৰাকী মহিলাক নিজৰ পছন্দ অনুযায়ী ব্যৱসায় আৰম্ভ কৰিবলৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। আৰ্থিক সাহায্যৰ প্ৰথম কিস্তি হিচাপে প্ৰতিগৰাকী নিৰ্বাচিত মহিলাই নিজৰ ব্যৱসায়িক কাৰ্যকলাপ আৰম্ভ কৰিবলৈ প্ৰত্যক্ষ লাভ হস্তান্তৰৰ জৰিয়তে ১০ হাজাৰ টকা লাভ কৰিব। পৰৱৰ্তী পৰ্যায়ত ব্যৱসায়িক কাৰ্যকলাপ আৰম্ভ হোৱাৰ ছমাহৰ পাছত মূল্যায়ণ কৰা হ'ব আৰু প্ৰয়োজন হ'লে নিৰ্বাচিত মহিলা হিতাধিকাৰীক দুই লাখ টকা পৰ্যন্তচ অতিৰিক্ত সহায় আগবঢ়োৱা হ'ব। এই আঁচনিখনৰ অংশ হিচাপে মহিলাসকলে নিৰ্মাণ কৰা সামগ্ৰী বিক্ৰিৰ বাবে সমগ্ৰ গাঁও আৰু চহৰত স্থানীয় বজাৰ অথবা হাট গঢ়ি তোলা হ'ব।

০০০০০০০

এটা বিৰল মহাজাগতিক পৰিঘটনাৰ ফলস্বৰূপে আজি নিশাৰ আকাশত ব্যতিক্ৰমী ধৰণৰ পূৰ্ণগ্ৰাস চন্দ্ৰগ্ৰহণ পৰিলক্ষিত হ'ব। এই চন্দ্ৰগ্ৰহণ সমগ্ৰ দেশতে দৃশ্যমান হ'ব। গুৱাহাটীৰ লগতে দিল্লী, মুম্বাই, কোলকাতা আৰু

বেংগালুৰুকে ধৰি দেশৰ সকলো নগৰ-মহানগৰৰ উপৰি সমগ্ৰ এছিয়া, অষ্ট্ৰেলিয়া, পূব আফ্ৰিকা আৰু ইউৰোপৰ অংশ বিশেষত এই চন্দ্ৰগ্ৰহণ দেখিবলৈ পোৱা যাব। তথ্য অনুসৰি এই চন্দ্ৰগ্ৰহণ আজি নিশা ৮ বাজি ৫৮ মিনিটত আৰম্ভ হ'ব আৰু ২ বাজি ২৫ মিনিটত ইয়াৰ সমাপ্তি ঘটিব। প্ৰায় ৮২ মিনিট সময়ৰ বাবে পূৰ্ণগ্ৰাস চন্দ্ৰগ্ৰহণ সম্পন্ন হ'ব বুলিও প্ৰকাশ পাইছে। উল্লেখযোগ্য যে গুৱাহাটী তাৰকা গৃহত আজি নিশাৰ এই বিৰল পৰিঘটনা চাব পৰাকৈ প্ৰস্তুতি গ্ৰহণ কৰা হৈছে বুলি বিভাগীয় কৰ্তৃপক্ষই আকাশবাণীক জানিবলৈ দিছে।

০০০০০০০

ভাৰতীয় সেনাৰ মূৰব্বী জেনেৰেল উপেন্দ্ৰ দিবেদীয়ে মন্তব্য হিচাপে সামাজিক মাধ্যমত প্ৰচাৰিত হোৱা এটা ভিডিঅ'ৰ সত্যতা চৰকাৰে নস্যাৎ কৰিছে। এই ভিডিঅ'টোত অপাৰেচন সিন্দূৰৰ সময়ছোৱাত ভাৰতৰ যুঁজাৰু বিমান ধ্বংস হোৱাৰ উপৰি ভাৰতীয় সেনা নিহত হোৱা বুলি জেনেৰেল দিবেদীয়ে প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। প্ৰেছ ইনফৰমেছন ব্যুৰোৰ সত্য অনুসন্ধান গোটে সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত এই ভিডিঅ'টো কৃত্ৰিম বুদ্ধিমত্তা সৃষ্ট বুলি প্ৰকাশ কৰি জনসাধাৰণক এনে ভুৱা তথ্যক আওকান কৰিবলৈ আহ্বান জনায়।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কোনো কোনো অঞ্চলত কাইলৈ পৰ্যন্ত বৰষুণ হ'ব বুলি আগজাননী দিছে। বিভাগটোৱে আজি গুজৰাট আৰু পশ্চিম ৰাজস্থানত প্ৰৱল বৰষুণ হোৱাৰ লগতে হাৰিয়ানা, চণ্ডিগড়, দিল্লী আৰু উত্তৰাখণ্ডৰ কোনো কোনো ঠাইত অহা দুই তিনিদিন পৰ্যন্ত ধাৰাষাৰ বৰষুণ হব বুলি আগজাননী দিছে। তামিলনাড়ু, কেৰালা, অন্ধ্ৰপ্ৰদেশৰ উপকুলৱৰ্তী অঞ্চল আৰু য়ানামতো প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বিভাগটোৱে প্ৰকাশ কৰিছে।

০০০০০০০

ইৰানৰ বৈদেশিক মন্ত্ৰী চৈয়দ আববাছ আৰাঘ্‌ছিয়ে কয়, যে ইৰান আৰু আন্তঃৰাষ্ট্ৰীয় আনৱিক শক্তি সংস্থা আই এ ই এ সমন্বয়েৰে এটা নতুন সহযোগিতাৰ আন্তঃগাঁথনিৰ দিশে অগ্ৰসৰ হৈছে। তেহৰানৰ এখন সন্মিলনত তেওঁ এই কথা প্ৰকাশ কৰে। ইৰাণৰ চৰকাৰী সংবাদ সংস্থা আই আৰ এন এ প্ৰকাশ কৰা অনুসৰি ভিয়েনাট যোৱা শুকুৰবাৰে আৰম্ভ হোৱা ইৰান আৰু ৰাষ্ট্ৰসংঘৰ পাৰমাণৱিক পৰ্যৱেক্ষণমূলক বৈঠকৰ অন্তত এই কথা সদৰি কৰা হয়। মন্ত্ৰীগৰাকীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে পাৰমাণৱিক আলোচনাৰ সম্ভাৱনা ব্যক্ত কৰে। এই সন্দৰ্ভত মধ্যস্থতাকাৰীৰ জৰিয়তে আলোচনা অব্যাহত আছে বুলিও তেওঁ সদৰি কৰে।

০০০০০০০

এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত আজি দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বিহাৰৰ ৰাজগিৰত হ'বলগীয়া  খেলখন কিছুসময় পাছতে আৰম্ভ হ'ব। ভাৰতে কালি ছুপাৰ ফ'ৰ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত চীনক ৭-০ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। এই জয়ৰ সুবাদত ভাৰতে ছুপাৰ ফ'ৰ পৰ্যায়ৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে। দক্ষিণ কোৰিয়াই-মালেয়েছিয়াক ৪-৩ গলত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰে। উল্লেখযোগ্য যে বৰ্তমানলৈ প্ৰতিযোগিতাৰ এখন খেলতো পৰাজিত নোহোৱা ভাৰতৰ দলটো এই প্ৰতিযোগিতাৰ খিতাপৰ অন্যতম দাবীদাৰ হিচাপে পৰিগণিত হৈছে। আজিৰ খেলখনত জয়লাভ কৰিলে ভাৰতে চতুৰ্থবাৰৰ বাবে আৰু গৃহভূমিত দ্বিতীয়বাৰৰ বাবে এছিয়া কাপ জয়ৰ সোৱাদ লাভ কৰিব।

ইপিনে, প্ৰতিযোগিতাত পঞ্চমৰ পৰা অষ্টম স্থান নিশ্চিতকৰণৰ বাবে হোৱা এখন খেলত কালি কাজাখস্তানে চীনা টাইপেইক ৬-৪ গলত পৰাস্ত কৰে।

০০০০০০০

দুলীপ ট্ৰফী ২০২৫-২৬ত চেণ্ট্ৰেল জ'নে ফাইনেলত প্ৰৱেশ কৰিছে। বেংগালুৰুৰ বি চি চি আই চি অ' ই গ্ৰাউণ্ড-টুত অনুষ্ঠিত  চেমিফাইনেল খেলত দলটোৱে ৱেষ্ট জ'নতকৈ এটা ইনিংছৰ অগ্ৰগতি লাভ কৰে। অহা বৃহস্পতিবাৰে একেটা স্থানতে দলটোৱে ছাউথ জ'নৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সুভম শৰ্মা, উপেন্দ্ৰ যাদৱ, হৰ্ষ দুবে, অধিনায়ক ৰজত পাটিদাৰ আৰু সাৰাংশ জৈনৰ অৰ্ধ শতকৰ সহায়ত চেণ্ট্ৰেল জ'নে ৬০০ ৰান সংগ্ৰহ কৰি ১৬২ ৰানৰ অগ্ৰগতি লাভ কৰে। ৱেষ্ট জ'নে প্ৰথম ইনিংছত ৪৩৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৱেষ্ট জ'নে দ্বিতীয় ইনিংছত ৮ উইকেটৰ বিনিময়ত ২১৬ ৰান সংগ্ৰহ কৰে।

০০০০০০০

সমাপ্ত